**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-04-2026 **Time :** 12.05 Hrs.

***Assamese Morning Bulletin***

## HEADLINES

১। বিধানসভা নিৰ্বাচনলৈ মাজত মাথো ৭টা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ তুংগত। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কংগ্ৰেছৰ নেত্ৰী প্ৰিয়ংকা গান্ধীৰ আজি নিৰ্বাচনী প্ৰচাৰ।

২। নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনৰ প্ৰস্তুতি অব্যাহত

৩। বিশ্বৰ সৰ্ববৃহৎ জনগণনা প্ৰক্ৰিয়া লোকপিয়ল-২০২৭ আৰম্ভ

**আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ আৰু দেলহি কেপিটেলছ মুখামুখি।

০০০০০০

বিধানসভা নিৰ্বাচনলৈ মাজত মাথো ৭টা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসক-বিৰোধী উভয়ে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাসকলক আকৰ্ষণ কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাইছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ইতিমধ্যে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ বাবে অসমলৈ আহিছে। প্ৰধানমন্ত্ৰীয়ে বৰ্তমান ধেমাজিৰ গোগামুখত বিজয় সংকল্প সভাত অংশ লৈছে। তেওঁ ইয়াৰ পাছত বিশ্বনাথৰ বিহালীত নিৰ্বাচনী প্ৰচাৰ চলাব। প্ৰধানমন্ত্ৰী মোদী ৬ এপ্ৰিলত মৰাণ, বৰপেটা আৰু লামডিঙত প্ৰচাৰ চলোৱাৰ বাবে পুনৰ অসমলৈ আহিব।

কংগ্ৰেছৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে আজি দেৱব্ৰত শইকীয়া, লুৰীণজ্যোতি গগৈ আৰু বিপুল গগৈৰ হৈ নাজিৰা, খোৱাং আৰু টিংখাঙত নিৰ্বাচনী প্ৰচাৰ চলাব। কংগ্ৰেছ দলৰ নেতা ৰাহুল গান্ধীয়ে কাইলৈ বোকাজান আৰু টীয়কত প্ৰচাৰ চলাব।

জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপৰ কমলপুৰ সমষ্টিৰ বিহদিয়াত বিজয় সংকল্প সমাৰোহত অংশ লয়। তেওঁ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দিগন্ত কলিতাৰ হৈ প্ৰচাৰ চলায়।

(বাইট)

তেওঁ বৰ্তমান টংলাত নিৰ্বাচনী সভাত ভাগ লৈছে। ড০ শৰ্মাই আজি গোৰেশ্বৰ, টিহু, হাজো, শুৱালকুছি আৰু ৰঙিয়াত বিজয় সংকল্প সভা তথা ৰোড শ্ব'ত অংশ লৈ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব।

অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি গৌৰৱ গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, ৰাইজৰ দলৰ অখিল গগৈ, কামৰূপ মহানগৰ জিলাৰ দিছপুৰ সমষ্টিৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰকে ধৰি কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ আন আন প্ৰাৰ্থী সকলেও ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে। দৰং জিলাৰ ছিপাঝাৰত আজি কংগ্ৰেছ প্ৰাৰ্থী বিনন্দ শইকীয়াই ঘৰে ঘৰে গৈ প্ৰচাৰ চলায়। সমষ্টিৰ পুনৰ নিৰ্ধাৰণৰ পাছত বৃহত্তৰ ছিপাঝাৰ অঞ্চলত এইবাৰ দলটোৱে আশা কৰা মতে ভোট লাভ কৰিব বুলি কংগ্ৰেছ প্ৰাৰ্থী গৰাকীয়ে আশা প্ৰকাশ কৰে।

(বাইট)

০০০০০০০

আসন্ন বিধানসভা নিৰ্বাচন সূচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে ব্যাপক প্ৰস্তুতি অব্যাহত ৰাখিছে। জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰি তেওঁলোকক ভোটদানৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ বাবে জিলা প্ৰশাসনে নিৰ্বাচনী শুভংকৰ আৰু প্ৰচাৰ বাক্য মুকলি, কুইজ, বাতৰি পঢ়া প্ৰতিযোগিতা আদিকে ধৰি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। কাছাৰ আৰক্ষীয়ে ভোটা দাতাৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি ফ্লেগ মাৰ্চ অনুষ্ঠিত কৰে। জেষ্ঠ্য আৰক্ষী অধীক্ষক সঞ্জীৱ শইকীয়াৰ নেতৃত্বত ঘোংগুৰ বাইপাছৰ পৰা মেনিপুৰলৈকে ফ্লেগ মাৰ্চ উলিওৱা হয়। অসম আৰক্ষীৰ জোৱানৰ উপৰি চি আৰ পি এফ আৰু বি এচ এফৰ জোৱান সকলে এই ফ্লেগ মাৰ্চত অংশ লয়।

(বাইট) সঞ্জীৱ শইকীয়া

যোৰহাট জিলা আয়ুক্ত জয় শিৱানীয়ে আজি কছাৰী ময়দান আৰু পুৰণি অসম ৰাজ্যিক পৰিবহন নিগমৰ কাৰ্য্যালয় পৰিৰ্দশন কৰি নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। তেওঁ নিৰ্বাচনৰ সময়ত যান-বাহনৰ সু-ব্যৱস্থা আৰু পৰিবহন কোষৰ দ্বাৰা চলাই থকা কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়।

০০০০০০০

বিশ্বৰ সৰ্ববৃহৎ জনগণনা প্ৰক্ৰিয়া লোকপিয়ল-২০২৭ আজি আৰম্ভ হৈছে। এয়া হৈছে দেশৰ ষোড়শ আৰু স্বৰাজোত্তৰ ভাৰতৰ অষ্টম লোকপিয়ল। এই লোকপিয়লত সামাজিক অৱস্থা আৰু জাতিগত গণনাকে ধৰি জনসংখ্যা আৰু গৃহ পিয়ল অন্তৰ্ভুক্ত হ'ব। ২০২৭ চনৰ ফেব্ৰুৱাৰী পৰ্যন্ত চলিবলগীয়া এই লোকপিয়ল দুটা পৰ্যায়ত হ'ব। প্ৰথম পৰ্যায়ত ঘৰৰ তালিকা প্ৰস্তুত কৰা হ'ব আৰু দ্বিতীয় পৰ্যায়ত জনসংখ্যাৰ গণনা কৰা হ'ব। ইয়াৰ বাবে অহা বছৰৰ পহিলা এপ্ৰিলক ভিত্তি তাৰিখ হিচাপে নিৰ্ধাৰণ কৰা হৈছে। দেশত এইবাৰ প্ৰথমবাৰৰ বাবে সম্পূৰ্ণ ডিজিটেল প্ৰক্ৰিয়াৰে লোকপিয়ল হ'ব আৰু এণ্ড্ৰইদ আৰু আই অ' এছত উপলভ্য মোবাইল এপৰ জৰিয়তে তথ্যসমূহ সংগ্ৰহ কৰা হ'ব। এইবাৰৰ লোকপিয়লত স্ব-গণনাৰো বিকল্প থাকিব। স্ব-গণনাৰ এই প্ৰক্ৰিয়া আজিৰে পৰা ১৫ তাৰিখলৈ মুকলি থাকিব। ঘৰৰ তালিকা প্ৰস্তুত আৰু গণনা ১৬ এপ্ৰিলৰ পৰা আৰম্ভ হ'ব আৰু ১৫ মে'ত সামৰণি পৰিব। ঘৰৰ গণনাৰ সময়ত সকলো ভৱন আৰু পৰিকাঠামোৰ তালিকাৰ প্ৰস্তুত কৰা হ'ব আৰু বাসগৃহৰ স্থিতি, সা-সুবিধা তথা সম্পদৰ তথ্য সংগ্ৰহ কৰা হ'ব। বাসগৃহসমূহৰ জিঅ' টেগিং কৰা হ'ব আৰু প্ৰতিটো ঘৰক অনন্য পৰিচয়সূচক নম্বৰ প্ৰদান কৰা হ'ব। এই সমগ্ৰ প্ৰক্ৰিয়াটোত ৩০ লাখৰো অধিক গণনা কৰ্মী, পৰ্যবেক্ষক আৰু অন্য বিষয়া নিযোগ কৰা হৈছে। জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব।

লোকপিয়লৰ দ্বিতীয় পৰ্যায় অহা বছৰ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। এই পৰ্যায়ত বয়স, লিংগ, বৃত্তি, সাক্ষৰতা আৰু জাতিগত সবিশেষকে ধৰি ব্যক্তিগত তথ্য আহৰণ কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে লোকপিয়ল-২০২৭ৰ বাবে ১১ হাজাৰ ৭১৮ কোটিৰো অধিক টকাত অনুমোদন দিছে।

০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে অনাগত শিক্ষা বৰ্ষৰ বাবে শৈক্ষিক পঞ্জী ঘোষণা কৰিছে। এই অনুসৰি আজিৰে পৰা নতুন শিক্ষা বৰ্ষ আৰম্ভ হৈছে। নতুন শিক্ষা বৰ্ষত ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাৰ দিনকে ধৰি মুঠ ২৫৪ দিন বিদ্যালয়ত উপস্থিত থাকিব লাগিব। এই শিক্ষা বৰ্ষত বিদ্যালয়সমূহত গ্ৰীষ্মবন্ধসহ ১১১ দিন পাঠদান বন্ধ থাকিব।

ইপিনে ২০২৬ বৰ্ষৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ অনলাইন পঞ্জীয়নৰ বাবে বিদ্যালয় শিক্ষা পৰিষদে আজিৰ পৰা প'ৰ্টেল মুকলি কৰিব। এই অনলাইন পঞ্জীয়নৰ অহা ১৫ মে'ত অন্ত পৰিব। এই সন্দৰ্ভত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ৰাজ্যৰ সকলো হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু অধ্যক্ষলৈ নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশনাত উল্লেখ কৰা মতে পঞ্জীয়নৰ বাবে সংশ্লিষ্ট বিদ্যালয়ে ১১টা সংখ্যাৰ ইউডাইচ কোড প্ৰদান কৰাটো বাধ্যতামূলক। তদুপৰি ছাত্ৰ-ছাত্ৰীৰ জন্মৰ প্ৰমাণপত্ৰ, আধাৰ কাৰ্ডৰ নাম্বৰ, অপাৰ আই ডিকে ধৰি অন্যান্য নথিসমূহ প্ৰয়োজন হ'ব বুলি নিৰ্দেশনাত কোৱা হৈছে।

০০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে এপ্ৰিল, মে' আৰু জুনত অসমসহ উত্তৰ-পূৰ্বাঞ্চলত সৰ্বোচ্চ তাপমাত্ৰা অধিক হ'ব আৰু বৰষুণ স্বাভাৱিকতকৈ কম হ'ব বুলি প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি ৰাজ্যত মাৰ্চত ১৬৬ দশমিক ৬ মিলিমিটাৰ বৰষুণ হৈছে আৰু এই পৰিমাণ স্বাভাৱিকতকৈ ১২৯ শতাংশ অধিক। বিভাগটোৱে লগতে কাইলৈৰ পৰা বৰষুণ পৰিমাণ হ্ৰাস পোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। অৱশ্যে এই সময়ছোৱাত উত্তৰ-পূৰ্বাঞ্চলৰ বাহিৰে দেশৰ অধিকাংশ ঠাইত বৰষুণৰ পৰিমাণ স্বাভাৱিকতৈ অধিক হ'ব বুলি বতৰ বিজ্ঞান বিভাগে জানিবলৈ দিছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ একনা ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ দেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, যোৱানিশা নিউ চণ্ডীগড়ত অনুষ্ঠিত এখন খেলত পঞ্জাব কিংছে গুজৰাট টাইটানছক ৩ উইকেটত পৰাস্ত কৰে। নৱাগত খেলুৱৈ কুপাৰ কন'লিৰ অপৰাজিত ৭২ ৰানৰ সহায়েৰে পঞ্জাব কিংছে ১৯ অভাৰ আৰু এটা বলত ৭টা উইকেট হেৰুৱাই গুজৰাট টাইটানছে নিৰ্ধাৰণ কৰি দিয়া ১৬২ ৰানৰ লক্ষ্য অতিক্ৰম কৰে। গুজৰাট টাইটানছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৬২ ৰান সংগ্ৰহ কৰে। কুপাৰ কন'লিক মেন অব দ্যা মেচ ঘোষণা কৰা হয়।

০০০০০**সমাপ্ত**